**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-11-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চাই দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে ক্ষমতালৈ প্ৰত্যাৱৰ্তন কৰাৰ পাছত পাটনাত নতুন চৰকাৰ গঠনৰ কুচকাৱাজ আৰম্ভ হৈছে। চূড়ান্ত ফলাফল অনুসৰি এন ডি এই মুঠ ২৪৩ খন আসনৰ ভিতৰত ২০২ খনতে জয়লাভ কৰিছে আৰু ইয়াৰ ভিতৰত বিজেপিয়ে অকলেই ৮৯ খন আসন লাভ কৰিছে। এন ডি এৰ সহযোগী দল JDUয়ে ৮৫খন আসনত জয়লাভ কৰাৰ লগতে লোক জনশক্তি পাৰ্টীয়ে ১৯ খন আসন লাভ কৰে। হিন্দুস্তানী আৱামী মৰ্চাই পাঁচ খন আৰু ৰাষ্ট্ৰীয় লোক মৰ্চাই চাৰি খন আসনত জয়লাভ কৰে। বিজেপিয়ে নীতিশ কুমাৰ নেতৃত্বাধীন জেডিইউত কৈ অধিক আসন লাভ কৰাৰ পৰিপ্ৰেক্ষিতত এন ডি এ মৰ্চাৰ নতুন মুখ্যমন্ত্ৰী কোন হ'ব সেয়া লৈও জল্পনা-কল্পনা আৰম্ভ হৈছে।

আনহাতে, বিৰোধী মহাজোঁটবন্ধনে কেৱল ৩৫ খন আসন লাভ কৰিবলৈ সমৰ্থ হয়। আৰ জে ডিয়ে ২৫ খন আসন লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ৬ খন, চি পি আই (এম এল) লিবাৰেশ্যনে দুখন, আৰু চি পি আই (এম) আৰু আই আই পিয়ে এখনকৈ আসন লাভ কৰে। এ আই এম আই এমে পাঁচখন আসন লাভ কৰাৰ লগতে বহুজন সমাজপাৰ্টীয়ে মাত্ৰ এখন আসন লাভ কৰে। প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰশান্ত কিশোৰৰ জন সূৰয পাৰ্টীয়ে এখনো আসন লাভ কৰিবলৈ সমৰ্থ নহ'ল।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰ বিধানসভা নিৰ্বাচনৰ এই জয়ক গণতন্ত্ৰৰ জয় বুলি উল্লেখ কৰি কয়, যে এই জয়ে দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ ওপৰত জনসাধাৰণৰ আস্থা সুদৃঢ় কৰিলে। বিহাৰৰ এই জয়ে কেৰালা, তামিলনাডু, পডুচেৰী, অসম আৰু পশ্চিমবংগৰ বিজেপি কৰ্মকৰ্তাসকলক উৎসাহিত কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

সমগ্ৰ দেশে আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে। অসমতো আজি এই দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জনজাতি পৰিক্ৰমা বিভাগৰ সৌজন্যত **গোৱালপাৰা** জিলা প্ৰশাসন আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ সহযোগত দুধনৈৰ আমজোঙ্গাত জনজাতীয় গৌৰৱ দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা উপস্থিত থাকিব।

**গোলাঘাট** জিলাৰ পুলিবাগান অঞ্চলৰ মুৰংঘৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত সাংস্কৃতিক শোভাযাত্ৰাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

০০০০০০০

মঙলদৈৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান জীপচি গিল্ডৰ উদ্যোগত কাইলৈ চহৰখনৰ বৰপুখুৰী পাৰৰ জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত **অৰণ্যৰ দিন** নামৰ এটা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, মঙলদৈৰ আন এটা অগ্ৰনী সংগঠন ইউনাইটেড ক্লাবৰ প্ৰযোজনাত ক্ৰাউড ফাণ্ডিঙৰ জৰিয়তে ১৯৭১ চনত অৰণ্য নামৰ ছবিখন নিৰ্মাণ কৰা হৈছিল। এই ছবিখনৰে মুক্তিৰ ৫৪ বছৰ পূৰ্তি উপলক্ষে কাইলৈ চহৰখনত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ছবিৰ মাজেৰে ৫৪ বছৰ পূৰ্বে গোলকীয় উষ্ণতাৰ বাৰ্তা দিয়া এই ব্যতিক্ৰম ধৰ্মী ছবিখনৰ স্মৃতি সজীৱ কৰি ৰখাৰ লক্ষ্যৰে কাইলৈ আয়োজন কৰিবলৈ লোৱা অনুষ্ঠানত গোলকীয় উষ্ণতা সম্পৰ্কে বক্তব্য প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ছবিখনৰ পৰিচালক প্ৰয়াত সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ সোঁৱৰণত প্ৰকাশ পাবলগীয়া ডাক টিকট উন্মোচন কৰিব বিশিষ্ট নাট্যকাৰ তথা পৰিচালক নয়ন প্ৰসাদে। অনুষ্ঠানত বিশিষ্ট অভিনেতা তথা গল্পকাৰ তপন দাস উপস্থিত থাকিব। ছবিখনৰ প্ৰযোজনাৰ সৈতে জড়িত কলা-কুশলীসকলেও এই অনুষ্ঠানত ছবিখন সন্দৰ্ভত স্মৃতি ৰোমন্থন কৰিব।

০০০০০০০

অসম খো খো সন্থাৰ সৌজন্যত আৰু মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰেপৰা দুদিনীয়াকৈ মঙলদৈ ২৩ সংখ্যক সদৌ অসম ১৮ বছৰ অনুৰ্ধ ল'ৰা-ছোৱালীৰ উত্তৰ অসম মণ্ডলৰ খো খো প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ ল'ৰাৰ খেলসমূহ মঙলদৈ সোণালী পামৰ ৰজা ধৰ্মনাৰায়ণ ষ্টেডিয়ামত আৰু ছোৱালী খেলসমূহ মঙলদৈ ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত মঙলদৈ, তেজপুৰ, ওদালগুৰি, লখিমপুৰ, নগাওঁ, মৰিগাওঁ জিলাৰ প্ৰায় দুই শতাধিক খেলুৱৈয়ে অংশ ল'ব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০০

সমাপ্ত